**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-06-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। রাজ্যৰ ২২ খন জিলাৰ ৫ লাখৰো অধিক লোক বানৰ কবলত। ১৬৫ টা আশ্ৰয় শিবিৰত ৩১ হাজাৰৰো অধিক লোকৰ আশ্ৰয় গ্ৰহণ।

২। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ৫৩ টা বন শিবিৰ জলমগ্ন। চোৰাং চিকাৰ ৰোধ কৰিবলৈ ড্ৰোন কেমেৰাৰে নিৰীক্ষণ।

৩। অসম আৰু মেঘালয়ৰ মাজৰ সীমা সমস্যাৰ স্থায়ী সমাধানৰ বাবে সীমা এলেকাৰ পাঁচটা অঞ্চলত ১৫ আগষ্টৰ পূৰ্বে খুঁটা পোতাৰ বাবে দুয়োখন চৰকাৰৰ সিদ্ধান্ত গ্ৰহণ।

৪। অহা ২২ জুনৰ পৰা কামাখ্যা ধামত হ'বলগীয়া অম্বুবাচী মহাযোগৰ বাবে পৰ্যটন বিভাগৰ ৪ কোটি ৫৫ লাখ টকা আৱণ্টন।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, পাঞ্জাব কিংছৰ মুখামুখি।০০০০

০০০০০০

ৰাজ্যৰ কেইবাখনো জিলাত শেহতীয়াকৈ বান পৰিস্থিতিয়ে জটিল ৰূপ ধাৰণ কৰিছে। বছৰৰ প্ৰথমটো বানত ৰাজ্যৰ ২২ খন জিলাৰ ৫ লাখ ১৫ হাজাৰৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। প্ৰশাসনে স্থাপন কৰা ১৬৫ টা আশ্ৰয় শিবিৰত ৩১ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। ৰাজ্যখনত শেহতীয়া বানত ১৩ জন লোকে প্ৰাণ হেৰুৱাইছে। যোৱা ২৪ ঘণ্টাত ডিব্ৰুগড় আৰু হাইলাকান্দিত দুজন লোক সন্ধানহীন হৈ আছে। এছ ডি আৰ এফে ধেমাজি আৰু হাইলাকান্দি জিলাৰ লগতে আন কেইবাখনো জিলাত আবদ্ধ লোকৰ উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি লখিমপুৰ জিলাৰ বান পৰিস্থিতিৰ বুজ লোৱাৰ লগতে বানপীড়িতসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ জিলাখনৰ পাচনৈ, বৰবিল আৰু নাওবৈচা সমষ্টিৰ আমতলা অঞ্চল পৰিদৰ্শন কৰি বানত ক্ষতিগ্ৰস্ত লোকসকলৰ অৱস্থাৰ বুজ লয়। এই স্পৰ্শকাতৰ সময়ত চৰকাৰে ক্ষতিগ্ৰস্তসকলক সকলো প্ৰকাৰে সকাহ আৰু সাহায্য প্ৰদানৰ ব্যৱস্থা কৰিব বুলি তেওঁ আশ্বাস দিয়ে। বান পৰিস্থিতিৰ বুজ লোৱাৰ বাবে মুখ্যমন্ত্ৰীগৰাকী আজি শিলচৰত উপস্থিত হ'ব। তেওঁ প্ৰথমে শিলচৰ চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বান শিবিৰ পৰিদৰ্শন কৰিব। ইয়াৰ পাছত ডঃ শৰ্মাই শিলচৰৰ মালিনী বিল অঞ্চল, নৰ্মেল স্কুল বান শিবিৰ, কেন্দ্ৰীয় বিদ্যালয়, কছমিক মাৰ্কেট, হিৰণ প্ৰভা দেৱ শিশু মন্দিৰ স্কুলৰ বান শিবিৰ পৰিদৰ্শন কৰি বানপীড়িতসকলৰ সৈতে মত বিনিময় কৰিব। মুখ্যমন্ত্ৰীয়ে কালি ৰঙানদী শক্তি প্ৰকল্পৰ নিপকোৰ বিষয়ববীয়াৰ সৈতেও পৰ্যালোচনা বৈঠকত মিলিত হয়। তেওঁ জৰুৰীকালীন পৰিস্থিতিৰ জোৰা মৰাৰ

বাবে আগতীয়া ব্যৱস্থা গ্ৰহণৰ লগতে জিলা প্ৰশাসনৰ সৈতে সঘনে যোগাযোগ ৰাখিবলৈ নিৰ্দেশ দিয়ে। পশ্চিম কাৰ্বি আংলঙৰ বান পৰিস্থিতিৰ পৰ্যালোচনা কৰাৰ বাবে মন্ত্ৰী নন্দিতা গাৰ্লোচাই আজি জিলা প্ৰশাসনৰ মূৰববীসকলৰ সৈতে এখন বৈঠকত মিলিত হ'ব। জিলাখনৰ লোক নিৰ্মাণ বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, খাদ্য আৰু অসামৰিক যোগান বিভাগ, কৃষি বিভাগ, ৰাজহ বিভাগ, আদিৰ মুৰববীসকলৰ সৈতে আলোচনাত মিলিত হৈ মন্ত্ৰীগৰাকীয়ে বিষয়াসকলক বানৰ ক্ষেত্ৰত ল'বলগীয়া পদক্ষেপৰ বিষয়ে নিৰ্দেশনা জাৰি কৰিব। হোজাইত কালি বিয়লি বানৰ ফলত এজন লোকৰ মৃত্যু হয়। হোজাইৰ হায়ং বুলাইত সংঘটিত এই শোকাবহ ঘটনাত মৃত্যু হোৱা লোকজনৰ নাম নাৰায়ণ মল্লিক বুলি জানিব পৰা গৈছে। কপিলীৰ পানী বৃদ্ধিৰ বাবে বানৰ সৃষ্টি হোৱাত ওখ ঠাই বিচাৰি ৰে'ল আলিলৈ যোৱাৰ সময়ত পানীৰ কোবাল সোঁতত পৰি লোকজনৰ মৃত্যু হয়। ঘটনাৰ খবৰ পোৱাৰ লগে লগে হোজাই আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰে।

ইপিনে শ্ৰীভূমিৰ জিলা আয়ুক্ত প্ৰদীপ কুমাৰ দ্বিবেদীয়ে কালি জিলাখনৰ বান পৰিস্থিতি সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে সম্প্ৰতি জিলাখনৰ পাঁচটা ৰাজহ চক্ৰৰ প্ৰায় ৩০০ খন ৰাজহ গাঁও বানৰ কবলত পৰিছে। বানৰ ফলত জিলাখনৰ ৩০ৰ পৰা ৪০ হাজাৰ লোক ক্ষতিগ্ৰস্ত হোৱা বুলি তেওঁ কয়। জিলাখনৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত আয়ুক্তগৰাকীয়ে এইদৰে কয়-

*(বাইট ঃ শ্ৰীভূমিৰ জিলা আয়ুক্ত)*

কলিয়াবৰৰ হাতীমূৰা মথাউৰিক লৈ স্থানীয় লোক সকল সন্দিহান হৈ থকাৰ সময়তে কালি স্থানীয় বিধায়ক তথা মন্ত্ৰী কেশৱ মহন্তই নিশা মথাউৰিটোত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে এইবাৰ হাতীমূৰা মথাউৰি নিৰ্মাণত চাৰি তৰপীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰাত মথাউৰিটোৰ ক্ষয়ক্ষতি হোৱাৰ কোনো সম্ভাৱনা নাই। অৱশ্যে শেহতীয়াকৈ ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাৰ বাবে ২৪ ঘণ্টাই মথাউৰিটো নিৰীক্ষণ কৰি থকা হৈছে বুলিও তেওঁ কয়। মন্ত্ৰীগৰাকীয়ে হাতীমূৰা মথাউৰিৰ শেহতীয়া স্থিতিক লৈ মুখ্যমন্ত্ৰী আৰু জলসম্পদ মন্ত্ৰীৰ সৈতে আলোচনা কৰিছে।

০০০০০০

বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান বানৰ কবলত পৰাত বন্য প্ৰাণীৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। উদ্যানখনৰ ২৩৩ টা বন শিবিৰৰ ৫৩ টা বন শিবিৰ ইতিমধ্যে জলমগ্ন হৈ পৰিছে। বুঢ়াপাহাৰ আৰু অগৰাতলী বনাঞ্চলৰ বান পৰিস্থিতি জটিল হৈ পৰিছে। হালধীবাৰী মালানি অঞ্চলত থকা পহুৰ জাকে উচ্চ স্থান বিচাৰি কাৰ্বি পাহাৰলৈ গতি কৰিছে। বিশ্বনাথ বনাঞ্চলত কালি বনৰক্ষীয়ে তিনিটা পহু উদ্ধাৰ কৰিছে। পানীত সাঁতুৰি অহা দুটা পহুৰ ইতিমধ্যে মৃত্যু হোৱা বুলি উদ্যানখনৰ কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। বনৰক্ষীসকলৰ সুবিধা হোৱাকৈ প্ৰতিটো বন শিবিৰতে হাত নাৱৰ ব্যৱস্থা কৰা হৈছে। বানৰ সময়ত কাজিৰঙাৰ জীৱকুল চোৰাং চিকাৰীৰ লক্ষ্য হৈ পৰাৰ বাবে উদ্যান কৰ্তৃপক্ষই দিনে নিশাই নিৰীক্ষণ কৰিব পৰাকৈ থাৰ্মেল কেমেৰাযুক্ত ড্ৰোন ব্যৱহাৰ কৰিছে। বন্য প্ৰাণীৰ সুৰক্ষাৰ বাবে কাজিৰঙাত এইবাৰ অতিৰিক্ত হাইলেণ্ডৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০

অসমৰ লগতে উত্তৰ-পূবৰ প্ৰায়কেইখন ৰাজ্যতে ধাৰাসাৰ বৰষুণৰ ফলত বান, ভূমিস্খলন আৰু খহনীয়াই জটিল ৰূপ ধাৰণ কৰিছে। ছিকিমত প্ৰবল বৰষুণৰ পাছত হোৱা ভূমিস্খলনত তিনিজন সেনা বাহিনীৰ জোৱানৰ মৃত্যু হোৱাৰ লগতে ছজন লোক সন্ধানহীন হৈ আছে। উত্তৰ ছিকিমত লাচুং আৰু চুংথাঙত আবদ্ধ হৈ পৰা এহেজাৰ ৬৭৮ গৰাকী পৰ্যটকক কালি নিৰাপদে উদ্ধাৰ কৰা হয় যদিও শতাধিক পৰ্যটক এতিয়াও লাচেনত আবদ্ধ হৈ আছে বুলি ৰাজ্যখনৰ আৰক্ষী সঞ্চালকপ্ৰধান অক্ষয় সচদেৱাই প্ৰকাশ কৰিছে। মিজোৰামত ধাৰাসাৰ বৰষুণৰ ফলত সৃষ্টি হোৱা বান পৰিস্থিতিৰ

বাবে কালি তৃতীয় দিনাও ৰাজ্যখনৰ শিক্ষানুষ্ঠানসমূহ বন্ধ ৰাখিবলগীয়া হয়। ৰাজ্যখনত বান আৰু ভূমিস্খলনৰ ফলত কমেও ৫ জন লোকৰ মৃত্যু হৈছে। এই সময়ছোৱাত মিজোৰামৰ ২১১ টা স্থানত ভূমিস্খলনৰ ঘটনা সংঘটিত হৈছে। মেঘালয়ৰ বিভিন্ন স্থানতো বান আৰু ভূমিস্খলনৰ ফলত সমস্যাৰ সৃষ্টি হৈছে। ৰাজ্যখনৰ ছোহৰাৰ এটা জলপ্ৰপাতৰ সমীপত কালি ২৪ মে'ত সন্ধানহীন হোৱা মধ্যপ্ৰদেশৰ এজন পৰ্যটকৰ মৃতদেহ উদ্ধাৰ কৰা হয়। মণিপুৰত দেওবাৰে নিশাৰ পৰা বৰষুণ হ্ৰাস পাইছে যদিও বিভিন্ন অঞ্চল এতিয়াও প্লাৱিত হৈ আছে। ৰাজ্যখনত ৫৬ হাজাৰৰো অধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে আৰু বানৰ ফলত ১০ হাজাৰৰো অধিক গৃহ ধ্বংস হৈছে। দুহেজাৰ ৯০০ ৰো অধিক বানত আবদ্ধ লোকক বাহিনীসমূহে সুৰক্ষিত স্থানলৈ লৈ আহিছে। ৰাজ্যখনত ৫৭ টা আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে। মণিপুৰৰ পূব ইম্ফল, সেনাপতি আৰু পশ্চিম ইম্ফল জিলা বানত অধিক ক্ষতিগ্ৰস্ত হৈছে। ত্ৰিপুৰাত বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও বিভিন্ন স্থান প্লাৱিত হৈ থকাৰ বাবে ৬৬ টা আশ্ৰয় শিবিৰত ১০ হাজাৰ ৮০০ ৰো অধিক লোকে আশ্ৰয় লৈ আছে। ৰাজ্যখনৰ পশ্চিম ত্ৰিপুৰা আৰু গোমতী জিলাৰ বিভিন্ন অঞ্চল বানত ক্ষতিগ্ৰস্ত হৈছে। নাগালেণ্ডৰ ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে ৰাজ্যখনত ধাৰাসাৰ বৰষুণ আৰু বান পৰিস্থিতি সৃষ্টি হোৱাৰ আশংকা প্ৰকাশ কৰি সতৰ্কতা জাৰি কৰিছে।

ৰাজ্যকেইখনত এন ডি আৰ এফ, এছ ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী আৰু স্থানীয় প্ৰশাসনে ২৪ ঘণ্টাই ক্ষতিগ্ৰস্ত লোকসকলক সহায় আৰু উদ্ধাৰৰ বাবে অভিযান অব্যাহত ৰাখিছে।

০০০০০০

অসম আৰু মেঘালয়ৰ মাজৰ সীমা সমস্যাৰ স্থায়ী সমাধানৰ বাবে সীমা এলেকাৰ পাঁচটা অঞ্চলত অহা ১৫ আগষ্টৰ পূৰ্বে খুঁটা পোতাৰ বাবে দুয়োখন চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। কালি গুৱাহাটীত অসম আৰু মেঘালয়ৰ মাজৰ সীমা বিবাদ নিষ্পত্তিৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ মাজত অনুষ্ঠিত আলোচনাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ বৈঠকত অসম আৰু মেঘালয়ৰ আন্তঃৰাজ্যিক সীমা সমস্যাৰ সমাধান, গুৱাহাটীৰ কৃত্ৰিম বানপানীৰ সমস্যা আৰু মেঘালয় সীমান্তৰ কুলচীত বহুমুখী প্ৰকল্প নিৰ্মাণৰ বিষয়ে আলোচনা কৰা হয়। বৈঠকত অসম আৰু মেঘালয়ৰ সামগ্ৰিক উন্নয়নৰ বাবে দুয়োখন ৰাজ্যই পাৰস্পৰিক সমিলমিলেৰে আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হৈছে। বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰা মতে কুলচীত নিৰ্মাণ কৰিবলগীয়া বহুমুখী প্ৰকল্পৰ জৰিয়তে ৫৫ মেগাৱাট বিদ্যুৎ উৎপাদন কৰা হ'ব। প্ৰকল্পটোৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে কামৰূপ আৰু গোৱালপাৰা জিলাৰ বিস্তৃৰ্ণ অঞ্চলত জলসিঞ্চনৰ সুবিধা কৰিব পৰা যাব বুলিও তেওঁ কয়। অৱশ্যে প্ৰকল্পটো ৰূপায়ণ সন্দৰ্ভত গাঁওবাসীৰ সৈতে আলোচনা কৰি তেওঁলোকৰ সন্মতি সাপেক্ষেহে ভৱিষ্যতৰ কাৰ্য ব্যৱস্থা লোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে সদৰি কৰিছে। বৈঠকত গুৱাহাটীৰ কৃত্ৰিম বানৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰাৰ লগতে মেঘালয়ৰ তিনিটা স্থানৰ পৰা অহা পানীয়ে গুৱাহাটী মহানগৰীত কেনে ধৰণৰ সমস্যাৰ সৃষ্টি কৰে সেই বিষয়ত মুখ্যমন্ত্ৰী কনৰাড চাংমাক অৱগত কৰোৱা হয়। গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বানৰ সমস্যা সমাধানৰ বাবে নৰ্থ-ইষ্ট স্পেচ এপলিকেচন চেণ্টাৰৰ সহায় লোৱাৰ বাবে দুয়োখন ৰাজ্যৰ চৰকাৰে বৈঠকত সিদ্ধান্ত লয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই সন্দৰ্ভত কয়, যে নৰ্থ-ইষ্ট স্পেচ এপলিকেচন চেণ্টাৰে খানাপাৰা, জুৰিপাৰ আৰু যোৰাবাট অঞ্চলৰ চেটেলাইট মেপিং কৰিব। মেঘালয়ৰ কোন স্থানৰ পৰা পানী গুৱাহাটীৰ বিভিন্ন অঞ্চললৈ প্ৰবাহিত হয় সেয়া পৰৱৰ্তী তিনি মাহৰ ভিতৰত উপগ্ৰহৰ জৰিয়তে নিৰীক্ষণ কৰি মানচিত্ৰ প্ৰস্তুত কৰা হ'ব আৰু পৰৱৰ্তী পৰ্যায়ত এই মানচিত্ৰ আই আই টি ৰুৰকিলৈ প্ৰেৰণ কৰা হ'ব। আই আই টি ৰুৰকিৰ পৰামৰ্শৰ ভিত্তিত গুৱাহাটীত কৃত্ৰিম বানৰ সমস্যা সমাধানৰ বাবে দুয়োখন চৰকাৰে যৌথভাৱে প্ৰচেষ্টা চলাব বুলিও তেওঁ কয়। কালিৰ আলোচনা সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ শৰ্মাই এইদৰে কয়-

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

০০০০০০

অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নৱনিযুক্ত সভাপতি গৌৰৱ গগৈয়ে আজি আনুষ্ঠানিকভাৱে কাৰ্যভাৰ গ্ৰহণ কৰিব। গুৱাহাটীৰ ৰাজীৱ ভৱনত আয়োজিত এটা অনুষ্ঠানত গগৈয়ে বিদায়ী সভাপতি ভূপেন বৰাৰ পৰা আনুষ্ঠানিকভাৱে দায়িত্ব গ্ৰহণ কৰিব।

০০০০০০

শক্তিপীঠ কামাখ্যা ধামত অহা ২২ জুনৰ পৰা অম্বুবাচী মহা যোগ অনুষ্ঠিত হ'ব। ২২ জুনৰ বিয়লি ২ বাজি ৫৬ মিনিটত অম্বুবাচীৰ প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ বন্ধ হ'ব। ২৫ জুনৰ শেষ নিশা ৩ বজাত অম্বুবাচীৰ নিবৃত্তি হ'ব। ২৬ জুনৰ পুৱা ৰীতি-নীতিৰে দেৱীৰ স্নান পৰ্ব, নিত্য পূজা সমাপনৰ পাছত ভক্তৰ বাবে মন্দিৰৰ দুৱাৰ মুকলি কৰা হ'ব। গুৱাহাটীৰ পল্টন বজাৰৰ পৰ্যটন সঞ্চালকালয়ৰ কাৰ্যালয়ত কালি পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ অধ্যক্ষতাত ২৪ টা বিভাগৰ সৈতে অম্বুবাচী মহাযোগ সন্দৰ্ভত এখন প্ৰস্তুতি বৈঠক অনুষ্ঠিত হয়। এই বৈঠকৰ পাছত আয়োজিত সংবাদমেলত মন্ত্ৰীগৰাকীয়ে পৰ্যটন বিভাগে কামৰূপ মহানগৰ জিলা প্ৰশাসনলৈ অম্বুবাচীৰ বাবে ৪ কোটি ৫৫ লাখ টকা আগবঢ়োৱাৰ কথা ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে অম্বুবাচী মহাযোগৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগে কামাখ্যা মন্দিৰলৈ গৈ আগতীয়াকৈ সকলো দিশ পৰ্যবেক্ষণ কৰিব। ইয়াৰ পাছত দ্বিতীয়খন প্ৰস্তুতি বৈঠক অনুষ্ঠিত হ'ব বুলি তেওঁ উল্লেখ কৰে।

বাইট

মন্ত্ৰীগৰাকীয়ে কয়, যে অম্বুবাচী মহাযোগৰ সময়ত শক্তিপীঠলৈ অহা ভক্তসকলক আদৰাৰ বাবে এটা নতুন কোষ গঠন কৰা হ'ব। সংবাদমেলত কামাখ্যা ধামৰ বৰ দলৈ কবিন্দ্ৰ প্ৰসাদ শৰ্মাই অম্বুবাচী মহাযোগৰ বাবে মন্দিৰ কৰ্তৃপক্ষইও যাৱতীয় ব্যৱস্থা লৈছে বুলি উল্লেখ কৰে। তেওঁ কয়, যে ২৬ আৰু ২৭ জুনত কোনোধৰণৰ ভি আই পি, ভি ভি আই পি পাছ আৰু টিকটৰ ব্যৱস্থা নাথাকিব। এই দিন দুটাত শাৰী পাতি ৰৈ থকা সকলো ভক্তই দেৱী দৰ্শন কৰিব পাৰিব বুলি তেওঁ উল্লেখ কৰে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ চলিত সংস্কৰণৰ ফাইনেল খেলখন আজি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু আৰু পাঞ্জাব কিংছৰ মাজত অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন সন্ধিয়া চাৰে ৭ বজাত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত আৰম্ভ হ'ব। ৰজত পাটিদাৰ নেতৃত্বাধীন বেংগালুৰুৰ দলটোৱে চণ্ডীগড়ত অনুষ্ঠিত প্ৰথমখন কোৱালিফায়াৰ খেলত পঞ্জাৱ কিংছক ৮ উইকেটত আৰু শ্ৰেয়াছ আয়াৰৰ নেতৃত্বাধীন পাঞ্জাব কিংছে আহমেদাবাদত অনুষ্ঠিত দ্বিতীয়খন কোৱালিফায়াৰ খেলত মুম্বাই ইণ্ডিয়ানছক ৫ উইকেটত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। উল্লেখযোগ্য যে এই পৰ্যন্ত আজি খেলিবলগীয়া দল দুটাৰ কোনো এটাইও আই পি এলৰ খিতাপ দখল কৰিব পৰা নাই।

০০০০০০

**পুঁজিপতিক ৰেহাই ১৬'৩৫ লাখ কোটি ঋণ। এই শিৰোনামেৰে অসমীয়া প্ৰতিদিন কাকতে দেশৰ বিত্তীয় সুস্থিৰতা সন্দৰ্ভত এটা বাতৰি প্ৰকাশ কৰিছে।**

"দৈনিক আসম" কাকতে অনুসন্ধান সমিতি গঠন সেউজ ন্যায়াধিকৰণৰ" শিৰোনামেৰে কাৰ্বি আংলঙৰ দলদলি সংৰক্ষিত বনাঞ্চলত ব্যাপক বেদখল সন্দৰ্ভত বাতৰি প্ৰকাশ কৰিছে।

ৰঙানদী জলবিদ্যুৎ প্ৰকল্পৰ পানীয়ে লখিমপুৰত সৃষ্টি কৰা বানৰ বাবে কালি নীপকো কৰ্তৃপক্ষক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সকীয়নী দিয়ে। এই বাতৰি দৈনিক জনমভূমি কাকতৰ।

আমাৰ অসম কাকতে "ৰাজ্যৰ ১৯খন জিলাত বানৰ সংহাৰ, শিশুসহ মৃত ১৬" শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতে , " আাই আই টি ৰুৰকীয়ে নিয়ন্ত্ৰণ কৰিব গুৱাহাটীৰ কৃত্ৰিম বান" শিৰোনামেৰে বাতৰি প্ৰকাশ কৰি কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ মাজত হোৱা বৈঠকৰ সিদ্ধান সন্দৰ্ভত বিতংভাৱে প্ৰকাশ কৰিছে।

অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰূপে আজি লোকসভাৰ বিৰোধী উপ-দলপতি তথা যোৰহাটৰ কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে আনুষ্ঠানিকভাৱে দায়িত্ব গ্ৰহণ কৰিব। এই বাতৰি দৈনিক অগ্ৰদূত কাকতৰ।

মহাৰাষ্ট্ৰ আৰক্ষীৰ হাতত ধন দাবীৰ অভিযোগত ঢেকীয়াজুলিৰ এগৰাকী ছাত্ৰ গ্ৰেপ্তাৰ হোৱা ঘটনাই তীব্ৰ চাঞ্চল্য সৃষ্টি কৰিছে। এই বাতৰি " নিয়মীয়া বাৰ্তা" কাকতৰ।

বিকাশ , উদ্ভাৱন আৰু বহনক্ষম পৰিৱেশ সন্দৰ্ভত অইল ইণ্ডিয়া লিমিটেড আৰু নুমলিগড় ৰিফাইনেৰী লিমিটেডে দুয়োটা প্ৰতিষ্ঠানৰ কৌশলগত প্ৰতিশ্ৰুতিবদ্ধতাৰ পৰীক্ষণ কৰিছে। এই বাতৰি The Sentinal কাকতৰ।

ভূমিস্খলনৰ ঘটনাত ছিক্কিমত সেনাবাহিনীৰ ত গৰাকী জোৱান নিহত হোৱাৰ লগতে আন ৬গৰাকী জোৱ-ন নিৰুদিষ্ট হৈ আছে। এই বাতৰি " আছাম ট্ৰিবিউন" কাকতৰ।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মিজোৰাম, মণিপুৰ, নাগালেণ্ড, ত্ৰিপুৰা আৰু মেঘালয়ৰ ঠাই বিশেষে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত